**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
-----------------------

১। লোকসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পাছত নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে প্ৰস্তুতি আৰম্ভ।

২। ভোটদানৰ হকে সজাগতা বৃদ্ধিৰ বাবে জিলাই জিলাই বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ দিহা কৰা বুলি নিৰ্বাচন আয়োগৰ প্ৰকাশ।

৩। নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত উত্থাপিত গোচৰসমূহৰ কাইলৈৰ পৰা শুনানি।

৪। ৰাজ্যত আজি অসম লোকসেৱা আয়োগৰ অধীনৰ ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষা।

*আৰু*

৫। গুৱাহাটীত অহা ২৬ মাৰ্চত ভাৰত-আফগানিস্তানৰ ফিফা বিশ্বকাপৰ যোগ্যতা নিৰ্ণয়কাৰী খেল।

ooooo

দেশৰ আন আন ৰাজ্যৰ লগতে অসমতো হ'বলগা আসন্ন লোকসভা নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে অধিসূচনা জাৰি, প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল, পৰীক্ষা তথা প্ৰত্যাহাৰৰ দিন ঘোষণা কৰিছে। সেই অনুসৰি অহা ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ত অসমৰ কাজিৰঙা, শোণিতপুৰ, যোৰহাট, লখিমপুৰ আৰু ডিব্ৰুগড় লোকসভা সমষ্টিত হ'বলগা ভোটগ্ৰহণৰ পূৰ্বে পাঁচোটা সমষ্টিতে অহা ২০ মাৰ্চৰ পৰা কাৰ্যকৰী হোৱাকৈ অধিসূচনা জাৰি কৰা হৈছে। আনহাতে প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ২৭ মাৰ্চ নিৰ্ধাৰণ কৰাৰ লগতে ২৮ মাৰ্চত মনোনয়ন পৰীক্ষা আৰু ৩০ মাৰ্চত মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন হ'ব বুলি দিছপুৰত থকা মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে অৱগত কৰিছে।

উল্লেখযোগ্য যে এইবাৰ ৰাজ্যৰ ১৪টা সমষ্টিত তিনিটা পৰ্যায়ত লোকসভা নিৰ্বাচন হ'ব। অহা ২৬ এপ্ৰিলত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিত হ'বলগা দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে অহা ২৮ মাৰ্চৰ পৰা কাৰ্যকৰী হোৱাকৈ অধিসূচনা জাৰি কৰা হৈছে। মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ৪ এপ্ৰিল হোৱাৰ বিপৰীতে ৫ এপ্ৰিলত মনোনয়ন পৰীক্ষা আৰু ৮ এপ্ৰিলত প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। ইফালে ৰাজ্যত অহা ৭ মে'ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত তৃতীয় তথা অন্তিমটো পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই চাৰিওটা সমষ্টিত অহা ১২ এপ্ৰিলত অধিসূচনা জাৰি হ'ব। আনহাতে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন ১৯ এপ্ৰিল হোৱাৰ বিপৰীতে মনোনয়ন পৰীক্ষা ২০ এপ্ৰিলত আৰু প্ৰত্যাহাৰৰ অন্তিম দিন ২২ এপ্ৰিল ধাৰ্য কৰা হৈছে।

ৰাজ্যত সুচাৰুৰূপে নিৰ্বাচন পৰিচালনা আৰু ৰাইজক ভোটদানৰ বাবে সকলো ধৰণৰ সুবিধা প্ৰদান কৰিবলৈ নিৰ্বাচনী আয়োগ সাজু হোৱা বুলি কালি দিছপুৰত হোৱা এখন সংবাদমেলত মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে জানিবলৈ দিয়ে।

জনতা ভৱনত আয়োজিত এখন সংবাদমেল সম্বোধন কৰি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে এইবাৰৰ নিৰ্বাচনত বঙাইগাঁৱত এটা, কামৰূপ মহানগৰ জিলাত ৩টা আৰু কামৰূপ জিলাত এটাকৈ ভোটগ্ৰহণ কেন্দ্ৰ বৃদ্ধি পোৱাৰ ফলত সৰ্বমুঠ ৫টা ভোটকেন্দ্ৰ বৃদ্ধি পাইছে বুলি জানিবলৈ দিয়ে।

শ্ৰীগোৱেলে লগতে কয় যে, তিনিওটা পৰ্যায়ৰ নিৰ্বাচনৰ অধিসূচনা জাৰি হোৱাৰ ১০ দিন আগলৈকে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে যোগ্য নাগৰিকে আবেদন জনাব পাৰিব। এই আবেদনসমূহৰ ভিত্তিত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব।

নিৰ্বাচন সুচাৰুৰূপে পৰিচালিত কৰাৰ বাবে ৩৪ হাজাৰ ৩৮০টা ভোটিং মেচিন আৰু ৩৭ হাজাৰ ২৪৫টা ভিভি পেট সাজু কৰা হৈছে বুলি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে অৱগত কৰে। অহা ২০ মাৰ্চৰ পৰা ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ উপস্থিতিত ভোটিং মেচিনসমূহ পৰীক্ষা কৰা হ'ব। আনহাতে নিৰ্বাচনী আচৰণ বিধি উলংঘা বা অবৈধ ধনৰ লেনদেনকে ধৰি সম্ভাব্য অনিয়মসমূহ পৰ্যবেক্ষণ কৰাৰ বাবে ফ্লায়িংস্কোৱাডকে ধৰি নিৰীক্ষণকাৰী গোট গঠন কৰা হ'ব বুলি শ্ৰীগোৱেলে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে, ১৫ হাজাৰ ৭৭৭টা ভোটগ্ৰহণ কেন্দ্ৰত ৱেবকাষ্টিঙৰ ব্যৱস্থা থাকিব। ইলেকট্ৰনিক ভোটিং মেচিন কঢ়িওৱা বাহনসমূহত জিপিএছ ব্যৱস্থা সংলগ্ন কৰাৰ লগতে নিয়ন্ত্ৰণ কক্ষৰ পৰা এইসমূহৰ অবিৰত নিৰীক্ষণ কৰা হ'ব।

তেওঁ কয় যে, ইতিমধ্যে ৰাজিক নিৰ্বাচনী আয়োগে প্ৰশাসন আৰু আৰক্ষীৰ লগত সুচল নিৰ্বাচন পৰিচালনা সন্দৰ্ভত আলোচনা কৰিছে আৰু নিৰ্বাচনত জড়িত থাকিব লগা বিষয়া-কৰ্মচাৰীসকলক প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা কৰা হৈছে। ভোটদানৰ সজাগতা বৃদ্ধিৰ বাবে জিলাই জিলাই বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব বুলি জানিবলৈ দি নিৰ্বাচনী বিষয়াগৰাকীয়ে কালিয়ে ৰাজনৈতিক দলৰ সৈতে সভা অনুষ্ঠিত কৰি নিৰ্বাচনৰ দিন ঘোষণাৰ পাছত দেশত বলৱৎ হোৱা আচৰণ বিধি সম্পৰ্কতো বিতংভাৱে অৱগত কৰে।

০০০০০

নিৰ্বাচন আয়োগে সমাগত লোকসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছত ৰাজ্যৰ বিভিন্ন জিলাত নিৰ্বাচন সন্দৰ্ভত সংবাদমেল আৰু সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। বৰপেটা লোকসভা সমষ্টিৰ সকলো পঞ্জীয়নকৃত ৰাজনৈতিক দলৰ পৰা জিলাখনৰ নিৰ্বাচন পৰ্কৃপক্ষই সহযোগিতাৰ আহ্বান কৰিছে। এই উপলক্ষে কালি সন্ধিয়া অনুষ্ঠিত এখন সভাত উপস্থিত থাকি জিলাখনৰ আয়ুক্ত তথা নিৰ্বাচন বিষয়াই নিৰ্বাচন আয়োগে ধাৰ্য কৰি দিয়া নীতি-নিৰ্দেশনাৰ বিষয়ে অৱগত কৰে। উল্লেখযোগ্য যে, সমষ্টি পুনৰনিৰ্ধাৰণৰ পাছত তিনি নম্বৰ বৰপেটা লোকসভা সমষ্টিটোত ৫খন জিলাৰ ১০ টা বিধানসভা সমষ্টি অন্তৰ্ভুক্ত হৈছে। বৰপেটা নিৰ্বাচনী জিলাৰ প্ৰতিটো বিধানসভা সমষ্টিত এটাকৈ মুঠ ৪ টা আদৰ্শ ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব আৰু কাইলৈৰ পৰা ভোটগ্ৰহণৰ বাবে নিয়োজিত বিষয়া-কৰ্মীসকলৰ প্ৰশিক্ষণ আৰম্ভ হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ইপিনে নিৰ্বাচনক কেন্দ্ৰ কৰি ৯৪০১৮৫৮৭৫৪ আৰু ৯৮৬৪৬৪৩০৮৯ হেল্পলাইন নম্বৰ দুটা মুকলি কৰাৰ কথাও তেওঁ অৱগত কৰে।

সমাগত লোকসভা নিৰ্বাচনৰ বাবে শিৱসাগৰ জিলাতো প্ৰয়োজনীয় প্ৰস্তুতি গ্ৰহণ কৰা হৈছে। জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱে কালি শিৱসাগৰৰ চুকাফা ভৱনত আয়োজিত এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে।

জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়া মতে যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত শিৱসাগৰ আৰু ডিমৌ বিধানসভা সমষ্টিক সামৰি লোৱা শিৱসাগৰ নিৰ্বাচনী জিলাত এইবেলি নিৰ্বাচনৰ বাবে ৪৮১টা ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। মুঠ ৩ লাখ ৮০ হাজাৰ ৯ গৰাকী ভোটাৰ থকা নিৰ্বাচনী জিলাখনত অহা ১৯ এপ্ৰিলত ৰাজ্যৰ আন চাৰিটা লোকসভা সমষ্টিৰ সৈতে ভোটগ্ৰহণ কৰা হ'ব। নিৰ্বাচন মুক্ত, নিকা আৰু স্বচ্ছভাৱে সম্পন্ন কৰাৰ বাবে নিৰ্বাচন আয়োগৰ তত্বাৱধানত প্ৰশাসনে সকলো যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি জিলা আয়ুক্ত যাদৱে জানিবলৈ দিয়া মতে নিৰ্বাচন সম্পৰ্কীয় অভিযোগ আৰু সহায়-সহযোগৰ বাবে প্ৰশাসনে এটা নিয়ন্ত্ৰণ কক্ষ মুকলি কৰিছে। এই নিয়ন্ত্ৰণ কক্ষৰ সৈতে ৰাইজে ০৩৭৭২-২২৩৩৯৭ অথবা ৮৪৭১৮-৬৪৩৫৫ ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব বুলিও তেওঁ জানিবলৈ দিয়ে। তদুপৰি নিৰ্বাচনী প্ৰক্ৰিয়াত কোনো অনিয়ম প্ৰত্যক্ষ কৰিলে অথবা অভিযোগ থাকিলে C Vigil এপ ব্যৱহাৰ কৰিবলৈকো তেওঁ সকলো আহ্বান জনায়।

আনহাতে চৰাইদেউ জিলাৰ জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে কালি তেওঁৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এখন সংবাদমেলত জিলাখনত মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সকলো পক্ষৰ সহায়-সহযোগিতা কামনা কৰে। জিলাখনৰ আৰক্ষী অধীক্ষক হিৰণ্য কুমাৰ বৰ্মনৰ উপস্থিতিত অনুষ্ঠিত এই সংবাদমেলত তেওঁ কয় যে, লোকসভা নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ লগে লগে আৰ্হি আচৰণ বিধি সঠিকভাৱে পালন হোৱাটো সুনিশ্চিত কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। চৰাইদেউ নিৰ্বাচনী জিলাত অহা ২০ মাৰ্চৰ পৰা মনোনয়ন পত্ৰসমূহ প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে, ২৭ মাৰ্চ হ'ব জিলাখনত মনোনয়ন পত্ৰ দাখিল কৰাৰ অন্তিম দিন।

জিলাখনত ইতিমধ্যে ৯টা ফ্লায়িং স্কোৱাডৰ দল, ১১টা ষ্টেটিক ছাৰ্ভেলেন্স টীম আৰু ৪টা ভিডিঅ' ছাৰ্ভেলেন্স টীম কাৰ্যক্ষম কৰা হৈছে বুলি প্ৰকাশ কৰি তেওঁ আচৰণ বিধি উলংঘনৰ ঘটনা সন্দৰ্ভত ৰাইজে ১৯৫০ টোল ফ্ৰী নম্বৰত আৰু C Vigil এপৰ জৰিয়তে জিলা প্ৰশাসনক অৱগত কৰাব পাৰিব বুলি জানিবলৈ দিয়ে। একেদৰে প্ৰয়োজন সাপেক্ষে দিনটোৰ ২৪ ঘণ্টাই কাৰ্যক্ষম হৈ থকা ১৮০০-৩৪৫-৩৯৯৫ টোল ফ্ৰী নম্বৰত যোগাযোগ কৰিবলৈকো তেওঁ ৰাইজক আহ্বান জনায়।

সমাগত লোকসভা নিৰ্বাচন ২০২৪ৰ আৰ্হি আচৰণবিধি সন্দৰ্ভত আজি পুৱা ১১ বজাত গোলাঘাট জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন সভা অনুষ্ঠিত হ'ব। জিলাখনত যাতে শান্তি-শৃংখলা অটুত ৰাখি সুকলমে নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা যায় এই সম্পৰ্কত জনসাধাৰণক সজাগ কৰাৰ উদ্দেশ্যে এই সভাৰ আয়োজন কৰা বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়াই জানিবলৈ দিছে।

ইপিনে, আসন্ন লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি তিনিচুকীয়া জিলা প্ৰশাসনে এটা নিৰ্দেশনা যোগে জিলাখনত আগ্নেয়াস্ত্ৰৰ অনুজ্ঞাপত্ৰ থকা সকলো ব্যক্তিকেই নিজ নিজ আগ্নেয়াস্ত্ৰসমূহ আজি বিয়লি ৪ বজাৰ ভিতৰত নিকটৱৰ্তী আৰক্ষী চকীত জমা দিবলৈ নিৰ্দেশ দিছে।

০০০০০

উচ্চতম ন্যায়ালয়ে নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে উত্থাপিত গোচৰসমূহৰ শুনানি কাইলৈ আৰম্ভ কৰিব। মুখ্য ন্যায়াধীশ ধনঞ্জয় যশৱন্ত চন্দ্ৰচূড় নেতৃত্বাধীন তথা ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু ন্যায়াধীশ মনোজ মিশ্ৰক লৈ গঠিত এখন বিচাৰপীঠত এই শুনানি গ্ৰহণ কৰা হ'ব। ন্যায়াধীশ চন্দ্ৰচূড়ে যোৱা ১৫ মাৰ্চত ঘোষণা কৰা অনুসৰি এই পৰ্যায়ত আইনখনৰ বিৰোধিতা কৰা সৰ্বমুঠ ২৩৭টা গোচৰৰ শুনানি গ্ৰহণ কৰা হ'ব।

অসম সন্মিলিত মহাসংঘৰ কাৰ্যকৰী সভাপতি তথা এই গোচৰৰ অন্যতম গোচৰীয়া মতিউৰ ৰহমানে কালি গুৱাহাটীত প্ৰকাশ কৰা মতে মহাসংঘৰ হৈ জ্যেষ্ঠ অধিবক্তা বিজয় হান্সাৰিয়াই যুক্তি প্ৰদৰ্শন কৰাৰ লগতে অধিবক্তা সৃষ্টি বৰঠাকুৰে তেওঁক সহযোগ কৰিব। উল্লেখযোগ্য যে অসম সন্মিলিত মহাসংঘৰ লগতে সোণোৱাল কছাৰী জাতীয় পৰিষদ, চিংফৌ কছাৰী জাতীয় পৰিষদ, তিৱা জাতীয় ঐক্য মঞ্চ, কাৰ্বি ষ্টুডেণ্ট এছ'চিয়েচন আৰু দেউৰী সংগ্ৰাম সমিতিকে ধৰি ২৮টা খিলঞ্জীয়া জনগোষ্ঠীয় সংগঠনে আইনখনৰ বিৰুদ্ধে আদালতত আবেদন জনাইছে। ইয়াৰ পূৰ্বে ২০২২ চনৰ ৬ ডিচেম্বৰত আৰম্ভ হোৱা গোচৰটোৰ শুনানি ২০২৩ চনৰ পৰা স্থগিত হৈ আছিল।

০০০০০

লোকসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলসমূহ নিৰ্বাচনী প্ৰচাৰত ব্যস্ত হৈ পৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পুৱা কৰিমগঞ্জৰ জিলা পুথিভঁৰালত অনুষ্ঠিত হ'বলগা বিজেপি কৰ্মীৰ এখন সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকিব। ইপিনে, নিৰ্বাচন সম্পৰ্কীয় প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে কালি কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু চন্দ্ৰ মোহন পাটোৱাৰীয়ে নলবাৰী জিলাৰ তিনিওটা বিধানসভা সমষ্টি নলবাৰী, ধৰ্মপুৰ আৰু বৰক্ষেত্ৰীৰ দলীয় বিষয়ববীয়াসকলৰ সৈতে এখন বৈঠকত অংশ লয়। বৈঠকত বৰক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা দলৰ জ্যেষ্ঠ নেতা নাৰায়ন ডেকাও উপস্থিত থাকে।

ওদালগুৰি জিলাত কালি দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ বিজেপিৰ মুখ্য নিৰ্বাচনী কাৰ্যালয়টো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। ১১ টা বিধানসভা সমষ্টিৰ বিজেপি, অগপ আৰু ইউ পি পি এল দলৰ কৰ্মী-বিধায়ক আৰু বিটিআৰৰ পাৰিষদসকলৰ উপস্থিতিত সাংসদ তথা প্ৰাৰ্থী দিলীপ শইকীয়াই এই কাৰ্যলয়টো উদ্বোধন কৰে। কমলপুৰৰ বিধায়ক দিগন্ত কলিতায়ো এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

ইপিনে শিৱসাগৰ জিলাত আজি মন্ত্ৰী পীযুষ হাজৰিকা আৰু বৰ্তমানৰ সাংসদ তথা যোৰহাট সমষ্টিৰ প্ৰাৰ্থী তপন গগৈয়ে বিজেপিৰ এটা অস্থায়ী কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি কৰিব।

গুৱাহাটীৰ আমবাৰীস্থিত অগপৰ মুখ্য কাৰ্যালয়তো কালি এখন নিৰ্বাচনী বৈঠকত অনুষ্ঠিত হয়। দলৰ সভাপতি অতুল বৰা আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰ উপস্থিতিত কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসকলে অংশ লোৱা বৈঠকখনত লোকসভা নিৰ্বাচনৰ বাবে ৰণকৌশল প্ৰস্তুত কৰাৰ লগতে অগপ সমৰ্থিত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰৰ প্ৰাৰ্থীসমূহৰ বিজয় সুনিশ্চিত কৰাৰ বাবে চলাবলগীয়া প্ৰচাৰ অভিযানৰ প্ৰস্তুতিৰ বিষয়ে পৰ্যালোচনা কৰা হয়। এই বৈঠকত পিছতে কেবাগৰাকীও নতুন সদস্যই অগপত আনুষ্ঠানিকভাৱে যোগদান কৰে। গুৱাহাটী লোকসভা সমষ্টিৰ বাবে এন ডি এৰ সমৰ্থিত প্ৰাৰ্থী বিজুলী কলিতা মেধিয়েও আমবাৰীস্থিত অগপৰ কাৰ্যালয়ত উপস্থিত হৈ দলৰ সভাপতি সমন্বিতে বিষয়ববীয়াসকলৰ সৈতে মত বিনিময় কৰে।

ইপিনে নিৰ্বাচনী প্ৰচাৰ অভিযান আৰম্ভ কৰি কালি গুৱাহাটী লোকসভা সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে পলাশবাৰী সমষ্টিৰ বিভিন্ন অঞ্চলত উপস্থিত হৈ ৰাইজৰ সৈতে মত বিনিময় কৰে।

০০০০০

ৰাজ্যৰ বিভিন্ন স্থানত আজি অসম লোকসেৱা আয়োগৰ অধীনৰ ২০২৩ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষাৰ আয়োজন কৰা হৈছে। এই পৰীক্ষা পুৱা ১০ বজা আৰু বিয়লি ২ বজাৰ পৰা দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। এই পৰীক্ষাৰ প্ৰতি লক্ষ্য ৰাখি কৰিমগঞ্জ আৰু তিনিচুকীয়াকে ধৰি ৰাজ্যখনৰ ভিন ভিন জিলাত ১৪৪ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰা হৈছে।

০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চোৱাৰ লগতে applications.prasarbharati.org ত আবেদন কৰিব পাৰে। কাইলৈ আবেদন পত্ৰ দাখিলৰ অন্তিম দিন।

০০০০০

অহা ২৬ মাৰ্চত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিকছ্ ষ্টেডিয়ামত ভাৰত আৰু আফগানিস্তানৰ মাজত ২০২৬ৰ ফিফা বিশ্বকাপ তথা ২০২৭ৰ এছিয়া কাপ ফুটবলৰ এখন যোগ্যতা নিৰ্ণয়কাৰী খেল অনুষ্ঠিত হ'ব। সেইদিনা সন্ধিয়া সাত বজাৰ পৰা অনুষ্ঠিত হ'বলগা আন্তৰ্জাতিক ফুটবল খেলখন সফলতাৰে আয়োজন কৰিবলৈ ৰাজ্য চৰকাৰৰ সহযোগত অসম ফুটবল সন্থাই সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

০০০০০

আজিৰে পৰা নাগালেণ্ডৰ ডিমাপুৰ আৰু ক'হিমাত তৃতীয় উত্তৰ-পূব ক্ৰীড়া অনুষ্ঠিত হ'ব। আজি নিশা ৭ বজাত ডিমাপুৰৰ ছুমৌকেডিমাত নতুনকৈ নিৰ্মাণ কৰা গেমছ ভিলেজত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। উত্তৰ-পূবৰ ৮খন ৰাজ্যৰ প্ৰায় আঢ়ৈ হাজাৰ খেলুৱৈয়ে মুঠ ১৫ বিধ খেলত প্ৰতিদ্বন্দ্বিতা কৰিব লগা এই প্ৰতিযোগিতাত অংশ লোৱাৰ উদ্দেশ্যে আজি প্ৰায় তিনিশ খেলুৱৈৰে গঠিত অসমৰ প্ৰথমটো দল পুৱাই গুৱাহাটীৰ পৰা ৰাওনা হৈছে। অহা ২৩ মাৰ্চত সামৰণি পৰিব লগা প্ৰতিযোগিতাৰ খেলসমূহ কাইলৈৰ পৰা আৰম্ভ হ'ব।

০০০০০

দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত কৰ্মৰত কিৰণ চন্দ্ৰ নাথ নামৰ উপ আৰক্ষী অধীক্ষকজনক এগৰাকী বনকৰা কিশোৰীক যৌন নিৰ্যাতন কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০

সমাপ্ত